জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩২৬/২০২১

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰীৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে বৈঠকত মিলিত হ'ল মুখ্যমন্ত্ৰী

# ৰাজ্যখনৰ বিমান পৰিবহন সেৱা আৰু অধিক শক্তিশালী কৰাৰ পদক্ষেপ ল'বলৈ কেন্দ্ৰীয় মন্ত্ৰীক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৯ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাস্থিত ১ নং ৰাজ্যিক অতিথিশালাত কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে এক বৈঠকত মিলিত হয়। উক্ত বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বিমানৰ সংখ্যা বৃদ্ধি তথা বিমান যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, লখিমপুৰ আৰু শিলচৰৰ বিমান বন্দৰৰ আন্তঃগাঁথনি অধিক শক্তিশালীকৰণ তথা ইয়াৰ পৰিসৰ বৃদ্ধিৰ উদ্যোগ লোৱাৰ বাবেও আহ্বান জনায়।

আলোচনাকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসামৰিক যোগান দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক হাফলঙত এটা হেলিপোৰ্ট নিৰ্মাণৰ বাবে আহ্বান জনায়। ইয়াৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ভূমি প্ৰদান কৰিব বুলিও তেওঁ কয়। উল্লেখ্য যে হাফলঙত নিৰ্মাণ হ'বলগীয়া হেলিপোৰ্ট নগাঁও আৰু গেলেকীত স্থাপন হ'বলগীয়া হেলিপোৰ্টৰ লেখীয়া হ'ব আৰু ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাপনা ইতিমধ্যে চূড়ান্ত কৰা হৈছে আৰু এই হেলিপোৰ্ট দুটাৰ নিৰ্মাণকাৰ্য অচিৰেই আৰম্ভ হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কাৰ্বি আংলঙৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক কাৰ্বি আংলঙত এটা গ্ৰীণ ফিল্ড এয়াৰপোৰ্ট নিৰ্মাণৰ উদ্যোগ ল'বলৈও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ বাবে ৩ হাজাৰ একৰ সামৰি এক ভূমিখণ্ড ইতিমধ্যে উপলব্ধ হৈ আছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে উড়াণ আঁচনিৰ অধীনত অসমৰ পৰা বিদেশলৈ বিমান সেৱা আৰম্ভ কৰাৰ উদ্যোগ ল'বলৈও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়।

আজিৰ এই আলোচনাকালত পৰিৱহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, পৰিৱহন বিভাগৰ প্ৰধান সচিব ডাঃ কে কে দ্বিৱেদী, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীকে ধৰি জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৯-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in